আৰ বি আই/২০১৬-১৭/১৪২
ডিচিএম (পিএলজি) নং ১৩১৭/১০.২৭.০০/২০১৬-১৭ ২১ নৱেম্বৰ, ২০১৬

অধ্যক্ষ/পৰিচালন সঞ্চালক/মুখ্য কাৰ্যবাহী বিষয়া,
ৰাজহুৱা খণ্ডৰ বেংক/বেচৰকাৰী বেংক/বিদেশী বেংক/আঞ্চলিক গ্ৰামীণ বেংক/
চহৰীয়া সমবায় বেংক/ৰাজ্যিক সমবায় বেংকসমূহ/জিলা কেন্দ্ৰীয় সমবায় বেংক

মহাশয়/মহাশয়া

**নিৰ্দিষ্ট বেংকনোটৰ বৈধমুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ - নগদ উঠোৱাৰ সীমা**

অনুগ্ৰহ কৰি আমাৰ Circular No.DCM (plg) No. 1274/10.27.00/2016-17 dated November 14, 2016 ৰ অনুচ্ছেদ ১ৰ অতিৰিক্ত সুবিধাবোৰলৈ মন কৰক যাৰ অধীনত কাৰেণ্ট একাউণ্ট ধাৰকসকলক (কমেও তিনি মাহ বা ততোধিক সময়ৰ বাবে পৰিচালনা হৈ থকা কাৰেণ্ট একাউণ্টবোৰত প্ৰযোজ্য) এসপ্তাহত ৫০,০০০ টকা পৰ্যন্ত উঠাবলৈ অনুমতি দিয়া হৈছিল। পৰ্যালোচনাৰ অন্তত এই সুবিধা অভাৰড্ৰাফ্ট আৰু কেশ্ব ক্ৰেডিট একাউণ্টলৈকো সম্প্ৰসাৰিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়। সেই অনুসাৰে, কাৰেণ্ট/অভাৰড্ৰাফ্ট/কেশ্ব ক্ৰেডিট একাউণ্ট ধাৰকসকলেও যাৰ একাউণ্ট বিগত তিনি মাহ বা ততোধিক সময় পৰিচালনা হৈ আছে, এসপ্তাহত ৫০,০০০ টকা পৰ্যন্ত উঠাব পাৰিব। সাপ্তাহিক উঠোৱাৰ ক্ষেত্ৰত দিয়া এই সীমা, ব্যক্তিগত অভাৰড্ৰাফ্ট একাউণ্টৰ ক্ষেত্ৰত প্ৰযোজ্য নহব।

২. এনে ধৰণে উঠোৱা টকা ঘাইকৈ ২০০০ টকীয়া বেংকনোটেৰে দিব।

আপোনাৰ বিশ্বাসী

(সুমন ৰয়)

মহা প্ৰৱন্ধক